মুহাম্মাদৰ পৰিয়ালৰ ওচৰলৈ বহুতো মহিলাই নিজৰ স্বামীৰ বিৰুদ্ধে অভিযোগ লৈ আহিছে। এতেকে তোমালোকৰ মাজৰ যিসকলে নিজৰ স্ত্ৰীক প্ৰহাৰ কৰে, সিহঁত তোমালোকৰ মাজত উত্তম নহয়।

ইয়াছ বিন আব্দুল্লাহ বিন আবি জুবাব ৰাদ্বিয়াল্লাহু আনহুৰ পৰা বৰ্ণিত তেওঁ কৈছে, ৰাছুলুল্লাহ চাল্লাল্লাহু আলাইহি অছাল্লামে কৈছেঃ "আল্লাহৰ বান্দীহঁতক
(স্ত্ৰীহঁতক) প্ৰহাৰ নকৰিবা।" ইয়াৰ পিছত ওমৰ (ৰাদ্বিয়াল্লাহু আনহু)এ ৰাছুলুল্লাহ্ চাল্লাল্লাহু আলাইহি অছাল্লামৰ ওচৰলৈ গৈ ক’লে, স্ত্ৰীসকলে স্বামীৰ অবাধ্য হৈ পৰিছে। তেতিয়া তেখেতে স্ত্ৰীক মৃদু প্ৰহাৰ কৰাৰ অনুমতি প্ৰদান কৰিলে। তাৰ পিছত বহুতো মহিলাই নবী চাল্লাল্লাহু আলাইহি অছাল্লামৰ পৰিয়ালৰ ওচৰলৈ নিজৰ স্বামীৰ বিৰুদ্ধে অভিযোগ লৈ আহিবলৈ ধৰিলে। তেতিয়া নবী চাল্লাল্লাহু আলাইহি অছাল্লামে ক’লে,
"মুহাম্মাদৰ পৰিয়ালৰ ওচৰলৈ বহুতো মহিলাই নিজৰ স্বামীৰ বিৰুদ্ধে অভিযোগ লৈ আহিছে। এতেকে তোমালোকৰ মাজৰ যিসকলে নিজৰ স্ত্ৰীক প্ৰহাৰ কৰে, সিহঁত তোমালোকৰ মাজত
উত্তম নহয়।"
[رواه أبو داود وابن ماجه] [ছহীহ[

নবী চাল্লাল্লাহু আলাইহি অছাল্লামে হাদীছটোত স্ত্ৰীসকলক প্ৰহাৰ কৰিবলৈ নিষেধ কৰিছে। এই কথা শুনাৰ পিছত আমীৰুল মুমিনীন ওমৰ ইবনুল খাত্তাব ৰাদ্বিয়াল্লাহু আনহুৱে নবী চাল্লাল্লাহু আলাইহি অছাল্লামৰ ওচৰলৈ আহি ক'লেঃ হে আল্লাহৰ ৰাছুল! নাৰীসকলে নিজৰ স্বামীৰ প্ৰতি অবাধ্য হৈ পৰিছে, আৰু সিহঁতৰ চাৰিত্ৰিক অৱস্থাৰ অৱনতি ঘটিছে। এই কথা শুনি নবী চাল্লাল্লাহু আলাইহি অছাল্লামে স্ত্ৰীসকলক মৃদু প্ৰহাৰ কৰাৰ অনুমতি প্ৰদান কৰিলে, যদিহে উচিত কোনো কাৰণ থাকে, কিন্তু কঠোৰভাৱে নহয়। উদাহৰণস্বৰূপে স্বামীৰ অধিকাৰ পূৰণত অস্বীকাৰ কৰিলে, বা স্বামীৰ অবাধ্যতা কৰিলে। ইয়াৰ কিছুদিন পিছত মহিলাসকলে অভিযোগলৈ নবী চাল্লাল্লাহু আলাইহি অছাল্লামৰ স্ত্ৰীসকলৰ ওচৰলৈ আহিবলৈ ধৰিলে যে, তেওঁলোকৰ স্বামীয়ে প্ৰচণ্ড মাৰপিট কৰে, লগতে তেওঁলোকে এই অনুমতিৰ অপব্যৱহাৰ কৰি আছে। এই অভিযোগ শুনি নবী চাল্লাল্লাহু আলাইহি অছাল্লামে ক'লেঃ যিসকল পুৰুষে নিজৰ স্ত্ৰীসকলক প্ৰচণ্ড মাৰপিট কৰে, সিহঁত তোমালোকৰ মাজত উত্তম নহয়।

http://www.sunnah.global/hadeeth/as/show/5821